NRC
NATIONAL REGISTER OF CITIZENS

আমাৰ এন আৰ চি
ন্যায়সংগত এন আৰ চি

# এই পৰ্য্যন্ত দাবী নিষ্পত্তিজনিত শুনানীৰ জাননী নোপোৱা দাবীদাৰসকলৰ দ্বাৰা দাবীৰ শুনানী সম্পৰ্কীয় অনুৰোধ

**অন্তিম তাৰিখ ১২ জুলাই ২০১৯লৈ বৃদ্ধি কৰা হৈছে**

**৩০ জুলাই ২০১৮ তাৰিখে প্ৰকাশিত সম্পূৰ্ণ খচৰা এন আৰ চি'ত নাম বাদ পৰা সকলৰ বা ২৬ জুন ২০১৯ তাৰিখে প্ৰকাশিত অতিৰিক্ত খচৰা বাদপৰা তালিকাত নাম অন্তৰ্ভুক্ত হোৱা সকলৰ দ্বাৰা দাখিল কৰা দাবীসমূহ শুনানীৰ জৰিয়তে নিষ্পত্তি কৰা হৈছে।**

**যদি আপুনি দাবী দাখিল কৰিছে কিন্তু শুনানীৰ সময়সূচী এতিয়ালৈকে ধাৰ্য্য হোৱা নাই, তেন্তে কি কৰিব ?**

যিসকল ব্যক্তিয়ে দাবী দাখিল কৰিছে কিন্তু এতিয়ালৈকে দাবী নিষ্পত্তিৰ বাবে হ'বলগীয়া শুনানীত উপস্থিত হোৱাৰ বাবে কোনো জাননী পোৱা নাই তেখেতসকলে ঃ

- এন আৰ চি ৱেবচাইট চাওক আৰু **"CLAIMS HEARING SCHEDULE PORTAL"** লিংক পৰীক্ষা কৰক
- আপোনাৰ 'এ আৰ এন' (ARN), 'সদস্য আই ডি' (Member ID) আৰু শুনানীৰ তাৰিখ উল্লেখ কৰি শুনানীৰ সময়সূচী ধাৰ্য্য কৰা হৈছে নেকি পৰীক্ষা কৰক

**CLAIMS HEARING SCHEDULE PORTAL**ত আপোনাৰ শুনানীৰ দিন যদি এতিয়াও ধাৰ্য্য কৰা হোৱা দেখা নাই অৰ্থাৎ আপোনাৰ 'এ আৰ এন'(ARN)ৰ বাবে / আপোনাৰ 'এ আৰ এন' (ARN)ত থকা কোনো সদস্যৰ বাবে শুনানীৰ তাৰিখ ধাৰ্য্য হোৱা দেখা নাপায়, তেন্তে আপোনাৰ 'এ আৰ এন' (ARN)ৰ / শুনানীৰ বাবে নমতা সদস্যসকলৰ বাবে শুনানীৰ দিন ধাৰ্য্য কৰিবলৈ এন আৰ চি ৱেবচাইটত থকা **"CLAIMS HEARING REQUEST PORTAL"** লিংকত অনুৰোধ জনাব পাৰে। ইয়াৰ বাবে জনসাধাৰণে নিম্নলিখিত তথ্যসমূহ দাখিল কৰিব লাগিব ঃ

- এ আৰ এন নম্বৰ
- সদস্য আই ডি
- দাবীদাৰ (সকল)ৰ নাম
- যোগাযোগৰ নম্বৰ
- দাবী দাখিল কৰাৰ প্ৰমাণ সাপেক্ষে মনোনীত এন আৰ চি সেৱাকেন্দ্ৰত দাবী দাখিলৰ সময়ত দিয়া দাবী প্ৰাপ্তিৰ ৰচিদ (JPG/PNG/PDF আৰ্হিত) আপলʼড কৰিব লাগিব।

এই সুবিধা কেৱল সেইসকল দাবীদাৰৰ বাবেহে প্ৰযোজ্য হ'ব যিসকলে ৩১ ডিচেম্বৰ ২০১৮ তাৰিখৰ পূৰ্বে দাবী দাখিল কৰিছিল অথবা যাৰ নাম অতিৰিক্ত খচৰা বাদপৰা তালিকাত আছিল আৰু এতিয়ালৈকে এন আৰ চি কৰ্তৃপক্ষৰ দ্বাৰা তেওঁলোকৰ শুনানীৰ তাৰিখ ধাৰ্য্য কৰা হোৱা নাই

ওপৰোক্ত সুবিধা ৫ জুলাইৰ পৰা ১২ জুলাই ২০১৯লৈ উপলব্ধ হ'ব।

এই ধৰণৰ সকলো দাবী ৩১ জুলাই ২০১৯ তাৰিখে চূড়ান্ত এন আৰ চি প্ৰকাশৰ পূৰ্বেই নিষ্পত্তি কৰা হ'ব।

জনহিতাৰ্থে প্ৰচাৰিত

**ৰাজ্যিক সমন্বয়ক, এন আৰ চি, অসম চৰকাৰ**

**নাগৰিক পঞ্জীয়নৰ মহা পঞ্জীয়ক, গৃহ মন্ত্ৰালয়, ভাৰত চৰকাৰ**

বিশদভাৱে জানিবলৈ আৰু সহায়ৰ বাবে

আমাৰ ২৪ x ৭ বিনামূলীয়া হেল্পলাইন নম্বৰত ফোন কৰক | ১৫১০৭ (অসমৰ বাবে) ১৮০০৩৪৫৩৭৬২ (অসমৰ বাহিৰৰ পৰা)

আমাৰ ৱেবচাইট www.nrcassam.nic.in

nrcassam @NRCupdateAssam ত আমাক অনুসৰণ কৰক

Exclusive/NRC/07-19